DAILY ASSAM

# ৩২। ছন্দ

৩২ ঃ ১ মানুহৰ দৈনন্দিন জীৱনত কিবা কাম কৰিলে একেৰাহে সমান শক্তিৰে নকৰি একোবাৰ ঢিলাই দি পিছ মুহূৰ্ততে আকৌ দৃঢ়ভাৱে কাম কৰা দেখা যায়। তেনেকৈ কাম কৰিলে ক্লান্তিবোধ নহয়। ছেৱেঁ ছেৱেঁ ব'ঠা মাৰি নাও বালে ক'ব নোৱাৰাকৈও নাও তীব্ৰ গতিত আগ বাঢ়ে। হেইঅ' হেইচ' বুলি এবাৰ ঢিলাই এবাৰ টানকৈ কাম কৰাত কামটো সহজ হৈ উঠে ; শৰীৰতো বিশেষ জোৰ নপৰে। এইদৰে নিয়মিত তাল ৰাখি কাম কৰিলে কামো সিজে দেখাতো ভাল দেখি। ঠিক তেনেকৈ অন্তৰৰ বিভিন্ন ভাবানুভূতি নিয়মিত লয়যুক্ত হৈ ভাষাৰ মাধ্যমেদি প্ৰকাশ পালে শ্ৰোতাৰ হৃদয় আকৰ্ষণ কৰে আৰু অন্তৰত ৰসানুভূতি জগাই তোলে।

গতিকে নিয়মিত লয়যুক্ত আৰু সুপৰিমিত ধ্বনি বিন্যাসেই ছন্দ। তাল-ধ্বনি-স্পন্দনৰ জনক, ছন্দৰ আত্মা। তাল বা লয় সংৰক্ষণৰ বাবে ধ্বনি প্ৰবাহৰ বিৰাম বা যতি অত্যাৱশ্যক। সেইবাবেই উচ্চাৰিত ধ্বনি প্ৰৱাহৰ স্পন্দনজাত সৌন্দৰ্যকেই ছন্দ আখ্যা দিয়া হয়।

৩২ ঃ ২ কবিৰ মনৰ কথাখিনি যদি উঠা-নমা আৰু বিৰামৰ আশ্ৰয়ত লয়যুক্ত কৰি প্ৰকাশ কৰা হয়, তেতিয়া পাঠক বা শ্ৰোতাৰ হৃদয়ত দুই প্ৰকাৰে প্ৰতিক্ৰিয়া কৰে। (ক) প্ৰথমতে, শ্ৰোতাৰ কাণত অনুৰণিত হৈ শব্দৰ ঝংকাৰে আনন্দ দান কৰে। (খ) দ্বিতীয়তে, সুন্দৰ লয়যুক্ত কথাখিনিয়ে কাণ স্পৰ্শ কৰাৰ লগতে অন্তৰো স্পৰ্শ কৰে। কবিৰ ভাবৰ লগত শ্ৰোতাৰ অৰ্থবোধ এক হৈ এক আনন্দত মগ্ন হৈ পৰে। তেনেকৈ ৰসলগ্ন কৰি তোলাটো ছন্দৰ অন্যতম প্ৰতিক্ৰিয়া।

৩২ ঃ ৩ "কোন দিনা দ্বিধা এৰি নিকা কৰি যাব
অ'ত ত'ত গজি উঠা বিষ ৰঘুমলা?
কোন দিনা এক কৰি জাতি উপজাতি
পৰ্বত ভৈয়াম হ'ব সুজলা সুফলা?"— প্ৰেমাঞ্জলি।

উক্ত কথা ফাকিত কবিপ্ৰাণৰ আক্ষেপ আছে, অসমৰ উন্নত ভৱিষ্যতৰ হাবিয়াস আছে। কবিৰ আক্ষেপ আৰু কামনাই পাঠক-শ্ৰোতাৰো অন্তৰত একেই আক্ষেপ আৰু কামনা জগাই তোলে। ইয়াৰ ধ্বনিৰ লয় বা তালে কাণত শ্ৰুতি মাধুৰ্য দান কৰে। সেই বাবেই ই ছন্দময় কবিতা।

৩২ ঃ ৪ অসমীয়া ছন্দৰ নিৰ্দিষ্ট মাত্ৰা অৰ্থাৎ কাল পৰিমাণৰ ব্যাপ্তিয়ে হ'ল ছন্দৰ প্ৰকৃত নিয়ামক। ধ্বনি সংখ্যাৰ পৰিমাণ কম-বেছি হ'লেও কণ্ঠস্বৰে সেই অসমতা দূৰ কৰি কালগত পৰিমাণ পূৰ্ণ কৰে। গতিকে ছন্দত মাত্ৰাৰ আৱশ্যক হয়। আখৰ বুলিলে শব্দাংশহে (Syllable) বুজায়, স্বৰযুক্ত ব্যঞ্জন বৰ্ণই শব্দাংশ বা আখৰ। আখৰেই ছন্দৰ একক।

৩২ ঃ ৫ ছন্দ হিল্লোলৰ তৰংগ নিৰ্ণয় কৰে যতিয়ে। এই যতি বা বিৰামে সমস্ত ধ্বনি প্ৰবাহৰ একোটা অসম্পূৰ্ণ অংশ নিৰ্ণয় কৰি দিয়ে। পূৰ্ণযতিত ধ্বনি প্ৰবাহৰ

সামৰণি ঘটে। বিৰাম বা যতিয়ে বিভক্তি কৰা ধ্বনি প্ৰবাহৰ সৰু সৰু অংশবোৰক পৰ্ব কোৱা হয়। কেইটামান পৰ্ব লগ লাগি একোটি চৰণ হয়, একোটি চৰণত পূৰ্ণযতি পৰে। যথা,

"ঘিণাই তোমাৰ বেশ।
সুমধুৰ মাত।
নিপিন্ধে ৰিহা-মেখেলা, নিপিন্ধে খাৰু।।
নিজকে হেয় কৰি কৰি।
এই ভীৰু জাতি।
কিমান দিন জীয়াই থাকিব বাৰু?"

অৰ্ধযতিৰ চিন (।) আৰু পূৰ্ণযতিৰ চিন (।।) দিয়া হৈছে। যতিৰ মাজত থকা ধ্বনি প্ৰবাহখিনিকেই অৰ্থাৎ ওপৰৰ ফাকিত "ঘিণাই তোমাৰ বেশ" এটা পৰ্ব, 'সুমধুৰ মাত' আন এটা পৰ্ব। দুয়ো পৰ্বত অৰ্ধযতি পৰিছে। তেনেকৈ 'নিজক হেয় কৰি কৰি', 'এই ভীৰু জাতি' এই পৰ্ব দুটাতো অৰ্ধযতি পৰিছে। 'খাৰু' শব্দৰ পিছত পূৰ্ণযতি পৰিছে। পূৰ্ণযতিলৈ অৰ্থাৎ 'নিপিন্ধে— খাৰু'লৈ এটা চৰণ। তেনেকৈ 'নিজকে হেয় কৰি কৰি', 'এই ভীৰু' দুটা পৰ্ব, অৰ্ধযতি পৰিছে। 'থাকিব বাৰু'ত পূৰ্ণযতি পৰিছে। 'নিজকে— বাৰু'লৈ আন এটা চৰণ। দীঘলীয়া দুটা চৰণৰ ই এটা স্তৱক (Stanza)।

৩২ ঃ ৬ অসমীয়াত ব্যৱহাৰ হোৱা বিভিন্ন ছন্দ সম্বন্ধে তলত আলোচনা কৰা হ'ল।

ছন্দ প্ৰথমে দুটা ভাগত ভগাব পাৰি ; (ক) মিলিতান্ত বা মিত্ৰাক্ষৰ আৰু (খ) অমিলিতান্ত বা অমিত্ৰাক্ষৰ।

যিবোৰ ছন্দৰ প্ৰথম চৰণৰ শেষ আখৰ পৰৱৰ্তী চৰণৰ শেষ আখৰৰ লগত ধ্বনিগত মিল নাই তাকেই অমিত্ৰাক্ষৰ বা অমিলিতান্ত বোলে।

কিন্তু যিবোৰ ছন্দৰ চৰণৰ অন্ত্য আখৰ পৰৱৰ্তী চৰণৰ অন্ত্য আখৰৰ লগত ধ্বনিগত মিল আছে, তাকেই মিত্ৰাক্ষৰ বা অমিলিতান্ত ছন্দ বোলে। ছন্দৰ শেষৰ আখৰৰ মিলক অন্ত্যানুপ্ৰাস বুলি কোৱা হয়।

'দুখীয়াৰ ভগা পঁজা একোখনি তীৰ্থ তাত
একোখনি পুণ্যৰ আশ্ৰম।
মৰিলে পুনৰ আহি দুখীয়া দেশতে মোৰ
লওঁ যেন পুনৰ জনম।'

১ম চৰণৰ তিনিটা পৰ্ব— (১) 'দুখীয়াৰ ভগা পঁজা', (২) 'একোখনি তীৰ্থ তাত' উভয়তে অৰ্ধযতি পৰিছে। (৩) 'একোখনি পূণ্যৰ আশ্ৰম'— এই পৰ্বৰ শেষত পূৰ্ণযতি পৰিছে। 'দুখীয়াৰ— আশ্ৰম' এটি চৰণ। তেনেকৈ 'মৰিলে পুনৰ ..... পুনৰ জনম' আন এটি চৰণ। প্ৰথম চৰণৰ শেষ আখৰৰ লগত পৰৱৰ্তী চৰণৰ অন্ত্য পদৰ ধ্বনিগত মিল আছে, 'আশ্ৰম'— 'জনম'। গতিকে ই অন্ত্যানুপ্ৰাস থকা মিলিতান্ত ছন্দ।

কিন্তু যিবোৰ ছন্দত চৰণ অন্ত্য আখৰৰ ধ্বনিগত মিল নাই সেইবোৰেই অমিলিতান্ত বা অমিত্ৰাক্ষৰ ছন্দ। যেনে—

অ'ই অনৱগুণ্ঠিতা ফুল্ল শিখৰিণী
ৰঞ্জি মণিকৰ্ণিকাৰ হৰিত মেখলা,
আছাঁ শোভি শুভ্ৰবেশে ; কৰি সুশোভিত
লৌহিত্যৰ তীৰভূমি শ্যামল বননি।"— ৰঘুনাথ চৌধাৰী।

## পয়াৰ বা পদ ছন্দ

(৮+৬=১৪)

**৩২ ঃ ৭** পয়াৰ ছন্দত প্ৰতি চৰণত চৈধ্যটাকৈ অক্ষৰ থাকে। চৰণে প্ৰতি দুটাকৈ পৰ্ব থাকে। প্ৰথম পৰ্বত আঠোটা আৰু দ্বিতীয় পৰ্বত ছয়টা অক্ষৰ থাকে। প্ৰথম চৰণৰ দ্বিতীয় পৰ্বৰ শেষ আখৰৰ লগত দ্বিতীয় চৰণৰ শেষ আখৰৰ ধ্বনিগত মিল আছে। যথা,

"প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন। ক,
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।" ক,
তযু নাভি কমলত। ব্ৰহ্মা ভৈলা জাত।। খ,
যুগে যুগে অৱতাৰ ধৰা। অসংখ্যাত।।" খ" (কীৰ্তন)

কেতিয়াবা প্ৰথম চৰণৰ অন্ত্য আখৰ আৰু তৃতীয় চৰণৰ অন্ত্য আখৰ, ২য় চৰণৰ অন্ত্য আখৰ আৰু চতুৰ্থ চৰণৰ অন্ত্য আখৰৰ মিল থাকে। যেনে,

"তুমিয়ে জীৱন বন্তি। ক্ষুদ্ৰ জীৱনৰ, ক,
তোমাৰ কাৰণে বেদী। ৰাখিছোঁ সজাই।। খ,
তাত নাই কাৰো ঠাই। এনেকি প্ৰভুৰ, ক,
নাই কোনো দেৱ-দেৱী। উপাস্য গোঁসাই।। খ, প্ৰেমাঞ্জলি

কেতিয়াবা স্তৱকৰ ২য় আৰু চতুৰ্থ চৰণৰ শেষ আখৰৰ মিলৰ বাহিৰে প্ৰথম আৰু তৃতীয় চৰণৰ অন্ত্য আখৰৰ মিল নাথাকে। যথা,

"প্ৰগতিৰ যাত্ৰী আমি। যাওঁ আগুৱাই। ক,
লক্ষ্যময় জীৱনৰ। প্ৰেম বঠা ধৰি।। খ,
স্বদেশ প্ৰীতিৰে আমি। গৰিমা প্ৰচাৰি। ক,
'অসমী'ক কৰি যাওঁ। বিশ্বত সদৰি।।" খ,

কেতিয়াবা স্তৱকৰ প্ৰথম আৰু চতুৰ্থ চৰণৰ (ক, ক) আৰু দ্বিতীয় আৰু তৃতীয় চৰণৰ (খ, খ) মিল থাকে। যথা,

"সৃষ্টিৰ আদিতে যিটো। সত্যৰ প্ৰকাশ।। ক,
তাৰো মাথোঁ প্ৰতিধ্বনি। বাগৰি বাগৰি।। খ,
অনন্ত কালৰ সত্য। প্ৰকাশিত কৰি।। খ,
জড় বা চেতন ৰূপে। কৰিছে বিকাশ।।" ক,

চৈধ্য আখৰীয়া পয়াৰ ছন্দৰ কেতিয়াবা দীৰ্ঘ বা হ্ৰস্ব হোৱা দেখা যায়। ১৪ টা অক্ষৰৰ ঠাইত ১৫ টা বা ১৬ টা বা ১৮ টা নাইবা কমকৈ ১৩ টা অক্ষৰ থাকিব পাৰে। ১৪ টা অক্ষৰতকৈ বেছি হ'লে দীৰ্ঘ পয়াৰ আৰু ১৪ টা অক্ষৰতকৈ কম হ'লে হ্ৰস্ব পয়াৰ কোৱা হয়।

(ক) দীৰ্ঘ পয়াৰ (৮ + ৮) ঃ

"হেৰা হেৰা বাটৰুৱা মৰমৰ ভাইহঁত।" ক,
নেৰিবা নেৰিবা মোক এই মায়া বজাৰত।" ক,

(ক) দীৰ্ঘ পয়াৰ (৮ + ১০) ঃ

"আতমাক দেখা নাই সঁচাকৈয়ে মানুহ চকুৰে।
মানুহেই স্বৰ্গ ৰচে পৃথিৱীৰ ধূলিৰ কণাৰে।

(গ) হ্ৰস্ব পয়াৰ ঃ

"তোমাৰ গৰ্বত গৰ্বী ; আকলুৱা হিয়া
প্ৰেমত ফুলিছে মোৰ জীৱনৰ ফুল ;
তোমাৰ প্ৰেম সুধাতেই জীৱন মৰণ
তাৰ সাধনাতেই মই বিয়াকুল।"

**৩২ ঃ ৮ ত্ৰিপদী ছন্দ ঃ** এইবিধ ছন্দৰ স্তৱকত দুটাকৈ চৰণ থাকে। প্ৰত্যেক চৰণত আকৌ তিনিটাকৈ পৰ্ব থাকে। দুয়ো চৰণৰ প্ৰথম পৰ্ব দুটাৰ অক্ষৰৰ সমান ; চৰণৰ তৃতীয় আৰু ষষ্ঠ পৰ্বৰো অক্ষৰৰ সংখ্যা সমান আৰু অন্ত্য আখৰৰ মিল আছে। এনেকৈ তিনিটা পৰ্বৰে চৰণ গঠিত হোৱা কাৰণে এনেবিধ ছন্দক **ত্ৰিপদী ছন্দ** বোলে। ত্ৰিপদী ছন্দক প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি। যথা, (ক) দুলৰী, (খ) ছবি আৰু (গ) লেচাৰি।

**৩২ ঃ ৯ দুলৰী** (৮+৮+৮) ঃ এইবিধ ছন্দত স্তৱকত দুটাকৈ চৰণ আছে। প্ৰত্যেক চৰণত তিনিটাকৈ পৰ্ব বা পদ আছে। স্তৱকত প্ৰথম, দ্বিতীয়, চতুৰ্থ আৰু পঞ্চম পৰ্বত আঠোটাকৈ অক্ষৰ থাকে। তৃতীয় আৰু ষষ্ঠ পৰ্বত ছয়টাকৈ অক্ষৰ থাকে আৰু ইহঁতৰ অন্ত্য আখৰৰ ধ্বনিগত মিল আছে। তিনিটা পৰ্ব বা পদেৰে একোটিকৈ চৰণ হয় বাবে এনে ধৰণৰ ছন্দক ত্ৰিপদী ছন্দ কোৱা হয়। যথা,

"পাচে ত্ৰিনয়ন দিব্য উপবন
দেখিলন্ত বিদ্যমান।
ফল ফুল ভৰি জকমক কৰি
আছে যত বৃক্ষমান।" — কীৰ্তন

**৩২ ঃ ১০ ছবি** (৮+৮+১০) ঃ প্ৰত্যেক স্তৱকত দুটাকৈ চৰণ থাকে। প্ৰত্যেক চৰণত তিনিটাকৈ পৰ্ব বা পদ থাকে। স্তৱকৰ ১ম, ২য়, ৪ৰ্থ আৰু ৫ম পৰ্বৰ প্ৰত্যেকৰে অক্ষৰৰ সংখ্যা আঠোটা। তৃতীয় আৰু ষষ্ঠ পৰ্বত দহোটাকৈ অক্ষৰ আছে আৰু ইহঁতৰ অন্ত্য আখৰৰ ধ্বনিগত মিল আছে। যথা,

"ভগৱন্ত ভক্তিযুক্ত পুৰুষৰ আত্মাৰাম
মাধৱৰ প্ৰসাদে মিলয়।
কৃষ্ণৰ কৃপাতে জানা গুচয় সংসাৰ বন্ধ
এহিমানে গীতাৰ নিৰ্ণয়।" — নামঘোষা

"সপোনত কাণে কাণে কোনোবাই যেন ক'লে
সংসাৰৰ সকলো সুন্দৰ ;
সাৰ পাই উঠি চালোঁ চকুৰ চামনি মচি
সৌন্দৰ্যৰ উঠিছে লহৰ।" — বিনন্দ বৰুৱা

**৩২ ঃ ১১ লেচাৰি** (১০ + ১০ + ১৪) ঃ প্ৰত্যেক স্তৱকত দুটাকৈ চৰণ আছে। দুয়ো চৰণৰ অন্ত্য আখৰৰ মিল আছে। স্তৱকৰ ১ম, ২য়, ৪ৰ্থ আৰু ৫ম পৰ্বৰ অক্ষৰৰ সংখ্যা দহ। তৃতীয় আৰু ষষ্ঠ পৰ্বৰ অক্ষৰৰ সংখ্যা চৈধ্য আৰু ইহঁতৰ অন্ত্য আখৰৰ মিল আছে। সৰ্বমুঠ ৩৪ টি অক্ষৰ থকা দীঘলীয়া ত্ৰিপদী ছন্দ।

"শ্ৰীমন্ত শংকৰে প্ৰকাশিলা গোবিন্দৰ গুণ নাম যশ
জগতৰ লোকে পৰম আনন্দে গাৱে।
হেনয় শংকৰ গুৰু বিনে কমন কাৰণে আনজনে
লোকৰ মাজত আপুনি গুৰু বোলাৱে।।" — মাধৱদেৱ

**৩২ ঃ ১২ ঝুমুৰা** (৪+৪) ঃ ছন্দৰ ভিতৰত আটাইতকৈ কম সংখ্যক মাত্ৰাৰ ছন্দ। স্তৱকত চাৰিটা চৰণ থাকে। প্ৰত্যেক চৰণত দুটাকৈ চাৰি মাত্ৰাৰ বা অক্ষৰৰ পৰ্ব থাকে। প্ৰত্যেক চৰণৰ অন্ত্য আখৰৰ অনুপ্ৰাস বা মিল আছে। যথা,

"হেন শুনি জাম্বৱন্ত।
ধাইলা মহা' বলৱন্ত।।
নিচিনি স্বামীক পাছে।
ধৰিলন্ত' যুদ্ধ কাছে।"

আৰৌ "পীত বস্ত্ৰে' শোভে কায়।।
মেঘত বিজুলি প্ৰায়।।
মুখ চন্দ্ৰো' নুহি সৰি।
কমল লো'চন হৰি।।"

**৩২ ঃ ১৩ ঝুনা বা একাৱলী** (৬+৫+১১) ঃ দুটা চৰণৰ দুটাকৈ পৰ্ব থাকে। প্ৰত্যেক চৰণৰ এঘাৰটাকৈ অক্ষৰ বা মাত্ৰা আছে। প্ৰথম পৰ্বত ছয়টি আৰু দ্বিতীয় পৰ্বত পাঁচোটা অক্ষৰ থাকে। দুয়ো চৰণৰ শেষত মিল আছে। যথা,

"গোপাল গোবিন্দ যদু নন্দন।
কৃষ্ণৰ চৰণে লৈলোঁ শৰণ।" — মাধৱদেৱ

"হৰিৰ নামৰ কীৰ্তন সুখ।
নাজানে যিজন হৰি বিমুখ।।

নকৰে কীৰ্তন যিটো পামৰ।
সিজন অধীন ভৈল যমৰ।।" — মাধৱদেৱ

**৩২ ঃ ১৪ হ্ৰস্ব ঝুনা** (৬+৪=১০, ৪ + ৬ = ১০) ঃ যি ঝুনাৰ চৰণৰ অক্ষৰৰ সংখ্যা কমি দহ হয় আৰু দুই চৰণৰ শেষৰ আখৰৰ মিল আছে, তাকেই হ্ৰস্ব ঝুনা কোৱা হয়। যথা,

"দূৰতে ধৰ্মক পৰিহৰি।
যিটো চিন্তে হৃদিৰূপ ধৰি।।
নিতান্তে কীৰ্তন মাত্ৰা কৰে।
বৈকুণ্ঠত থাকে সিটো নৰে।।"

**৩২ ঃ ১৫ কুসুম মালা বা দীৰ্ঘ ঝুনা** (৬+৬=১২) ঃ ঝুনাৰ দৰে দুটা চৰণ থাকে। প্ৰত্যেক চৰণত ছয় অক্ষৰীয়া বা মাত্ৰাৰ দুটা পৰ্ব থাকে। চৰণ দুটাৰ শেষ আখৰৰ অনুপ্ৰাস বা মিল আছে। পৰ্ববোৰৰো অন্ত্য আখৰৰ অনুপ্ৰাসে ছন্দ গহীন কৰি তোলে। যথা,

"নমো নিৰঞ্জন পাতক ভঞ্জন,
গোপিকা ৰঞ্জন দানৱ গঞ্জন।।" শংকৰদেৱ
আকৌ "নমো নাৰায়ণ সংসাৰ কাৰণ
ভকত তাৰণ তোমাৰ চৰণ।।" — শংকৰদেৱ

**৩২ ঃ ১৬ চৈধ্য শৰীয়া কবিতা (Sonnet)** ঃ আধুনিক যুগত পাশ্চাত্য সাহিত্যৰ প্ৰভাৱত অসমীয়া ভাষাত চৈধ্য শাৰীৰ এইবিধ কবিতা সোমাই পৰিছে। সমগ্ৰ কবিতাটি কেৱল চৈধ্য চৰণতে শেষ কৰা হয়। ছন্দৰ ফালেদি চালে পয়াৰ ছন্দৰ বৈশিষ্ট্যখিনিকেই লক্ষ্য কৰা যায়।* পয়াৰ ছন্দৰ দৰে প্ৰত্যেক ছৰণৰ প্ৰথম পৰ্বত আঠোটা আৰু দ্বিতীয় পৰ্বত ছয়টাকৈ অক্ষৰ থাকে। চৰণবোৰৰ অন্ত্যানুপ্ৰাস আছে।

চাৰিটা শাৰীৰে একোটি স্তৱক হয়। প্ৰথম দুটা স্তৱক অৰ্থাৎ প্ৰথম আঠোটা শাৰীত প্ৰতিপাদ্য কথাৰ বৰ্ণনা থাকে। তৃতীয় স্তৱক আৰু শেষৰ দুটা শাৰীত অৰ্থাৎ শেষৰ ছয়টা শাৰীত কবি মানসৰ সিদ্ধান্ত বা উপসংহাৰ থাকে। সেইবাবে ইংৰাজী ভাষাত এইবিধ চনেত (চৈধ্য শৰীয়া কবিতা) দুটা ভাগত ভগাইছে। প্ৰথম আঠোটা শাৰীক Octavo অৰ্থাৎ অষ্টক বুলি কোৱা হয়। শেষৰ ছয়টা শাৰীক Sestette বা ষষ্ঠক বুলি কোৱা হয়। ইহঁতৰ অন্ত্যানুপ্ৰাসৰো নিৰ্দিষ্ট নিয়ম আছে।

অসমীয়া ভাষাত স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীয়ে প্ৰথম চনেট ৰচনা কৰে। ফুলৰ চাকিৰপৰা ইয়াত দাঙি ধৰা হ'ল।

---

*কিছুমানে চতুৰ্দশপদী কবিতা বোলে। পদ বা পয়াৰ ছন্দৰ দৰে হ'লেও ৰচনাশৈলীত বিভিন্নতা আৰু শাৰীৰ সংখ্যাত সীমাবদ্ধতা থকা বাবে পয়াৰ ছন্দৰপৰা বেলেগ।

## প্ৰিয়তমাৰ চিঠি

"সৌন্দৰ্যৰ বুকুৰ কাঁচলি উদঙাই, ক.
প্ৰকৃতিৰ চোঁঘৰ চালোঁ পিত পিত খ.
কুকুৰাঠেঙ্গীয়া এই আখৰ কিটিত, খ.
যি অমিয়া ঘঁহা আছে ক'তো আৰু নাই। ক.
কবি-নিকুঞ্জত ফুলি কত কবিতাই, ক.
মলয়াত উঠি উটি ফুৰে পৃথিৱীত, খ.
তোমাৰ চিঠিয়ে কিন্তু জানে যিটি গীত, খ.
কবিতাৰ কাব্যে তাৰ গোন্ধকে নাপায়। ক.
ফুল ফুলে সৰি যায়, শুকায় বননি, গ.
বসন্তৰ কুঁহিপাত ৰ'দত লেৰেলে ; ঘ.
তোমাৰ চিঠিয়ে প্ৰিয়ে জানে কি মোহিনী, গ.
নিতৌ নোহোৱা বাহী ন ন ফুল মেলে। ঘ.
যত সুঙো চুমা খাওঁ নালাগে আমনি, গ.
হৃদয়ত হেপাহৰ ভোটাতৰা জ্বলে।

**৩২ ঃ ১৭** ওপৰত উল্লেখ কৰা মিত্ৰাক্ষৰ ছন্দসমূহৰ চৰণত পৰ্বৰ সংখ্যা বৃদ্ধি বা কম কৰি, পৰ্বত অক্ষৰ বা মাত্ৰা সংখ্যা কম-বেছি কৰি অন্য প্ৰকাশৰ ছন্দ ৰচনা কৰা দেখা যায়। শ্ৰুতিমাধুৰ্যৰে আৰু ৰসানুভূতি দান কৰাই যিহেতু ছন্দৰ উদ্দেশ্য সেই কাৰণে এইদৰে ছন্দৰ ব্যতিক্ৰম হৈ ৰচনা কৰা ছন্দত কাব্যত্ব হেৰাই নাযায়। শ্ৰুতিমধুৰ আৰু ভাব উদ্দীপক হ'লেই পাঠক আৰু শ্ৰোতাৰ অন্তৰ আকৰ্ষণ কৰে, তেতিয়া ই হৈ পৰে কবিতা।

**অমিত্ৰাক্ষৰ ছন্দ** (Blank Verse) আৰু **মুক্তক ছন্দ** (Free Verse) ঃ পুৰণি অসমীয়াত ছন্দযতিৰ প্ৰাধান্য আছিল বাবে সদায় পৰ্ব আৰু চৰণত যতি পেলাইছিল। ছন্দযতিৰ লগতে অনুপ্ৰাসৰো সৃষ্টি কৰিছিল। সেইবাবে সেইবোৰ ছন্দময়, লয়যুক্ত আৰু শ্ৰুতিমধুৰ গীত প্ৰধান। ছন্দযতিৰ প্ৰাধান্যৰ বাবে কেতিয়াবা ভাবযতিও উপেক্ষা কৰা হৈছিল। যথা,

"অবিদ্যাজনিত সুখ সত্য লোক আদি কৰি
আত নিৰপেক্ষ নিৰন্তৰ।
কেৱল চিদাংগ শুদ্ধি কৰণেসে মাত্ৰ জানা
পুৰুষাৰ্থ মুমুক্ষু জনৰ।।" — নামঘোষা

ওপৰৰ স্তৱকৰ দ্বিতীয় চৰণত প্ৰথম পৰ্ব "কেৱল চিদাংগ শুদ্ধি'ত ছন্দযতি পৰিলেও অৰ্থ বা ভাবযতি পিছৰ পৰ্বলৈ বিস্তৃত ; কিয়নো পৰৱৰ্তী পৰ্বত কৰণেসে, "শুদ্ধি কৰণেসে মাত্ৰ জানা পুৰুষাৰ্থ মুমুক্ষু জনৰ।"

এইদৰে আখৰ সংখ্যাৰ ওপৰত প্ৰাধান্য দি মিলিতান্ত বা অমিলিতান্তভাৱে অমিত্ৰাক্ষৰ ছন্দ ৰচিত হৈছিল আৰু ৰচিত হৈ আছে। এই বিধ ছন্দত ভাব প্ৰবাহক অক্ষুণ্ণ ৰাখি ছন্দযতি ভাবযতি অনুগামী হয়। সেইবাবে যতি পংক্তিৰ মাজতো পৰে। ভাবযতিৰ ওপৰত দিয়া প্ৰাধান্যই মিত্ৰাক্ষৰ ছন্দতকৈ এইবিধ ছন্দক পৃথক কৰি তুলিব।

ৰঞ্জিলা কি স'তে
নৰৰক্ত দুটি ভৰি ৰঞ্জিছিলা যাক
জেতুকা ৰসেৰে পূৰ্বে? আহিলা কি ৰূপে
ই অশান্তি মৰুভূত, শান্তিৰূপী সবে
নিজৰা ই জগতৰ, শান্তিৰ পুখুৰী
দেখিলে নীৰৱে মূলা, স্বোৱামীৰ দেহা
ধূলিত লুণ্ঠত আজি? — হিতেশ্বৰ বৰবৰুৱা

ওপৰৰ অমিত্ৰাক্ষৰ ছন্দৰপৰা সহজে বুজিব পাৰি চৈধ্য আখৰীয়া পয়াৰ ছন্দ অন্ত্যানুপ্ৰাস হীনতাই অমিত্ৰাক্ষৰ ছন্দ নহয়। শাৰীবোৰৰ শেষ আখৰ অমিল হ'লেও নাইবা প্ৰত্যেক শাৰীত চৈধ্যটি অক্ষৰ থাকিলেও ভাবযতিয়ে অৰ্থাৎ ভাব-প্ৰবাহে পাঠক আৰু শ্ৰোতাক এক কাব্যিক ৰাজ্যলৈ লৈ যায়। মিত্ৰাক্ষৰ বৰ্জনেই অমিত্ৰাক্ষৰ ছন্দৰ লক্ষণ নহয়। ভাবযতিৰ আশ্ৰয়ত ভাবত প্ৰবাহমানতাই এইবিধ ছন্দ-সজ্জাৰ বৈশিষ্ট্য। সেই বাবে আখৰৰ সীমাবদ্ধতা চেৰাই শাৰীত বিভিন্ন সংখ্যক আখৰ ব্যৱহাৰ কৰি ভগ্ন অমিত্ৰাক্ষৰ ছন্দৰ ৰচনা কৰা হয়— বিশেষকৈ অমিত্ৰাক্ষৰ ছন্দৰ নাট ৰচনাত। এনে ছন্দৰ চৰণবোৰ অসমান। যথা,

"জালত পৰিল বাঘ
কোনে কৰে যুক্তিৰ বিচাৰ?
অধম ৰাক্ষস।
পৰিত্ৰাণ নাই আজি তোৰ।"
"কি কলি? কি কলি নৰাধম?
অধম শিয়াল হৈ
সিংহৰ আগত দেখুৱাব খুজিছ।
অধম বিক্ৰম?"— মেঘনাদ বধ (চন্দ্ৰধৰ বৰুৱা)

এনেবোৰ ছন্দত যতিক উপেক্ষা কৰি কেৱল অৰ্থ বা ভাবযতিক আশ্ৰয় কৰি আবৃত্তি কৰিব পৰা যায়। সেই বাবেই পৰ্ব বিভাগো অৰ্থ যতিৰদ্বাৰা কৰা হয়। আধুনিক অসমীয়া নাট আৰু কবিতাত এইদৰে ভগ্ন অমিত্ৰাক্ষৰ ছন্দ ব্যৱহাৰ হয়।

**৩২ ঃ ১৯** আধুনিক কাব্যশিল্পীসকলে ছন্দৰ বিশেষকৈ সমসংখ্যক মাত্ৰা বিশিষ্ট পৰ্ব আৰু মিলিতান্ত চৰণৰ বান্ধোন উপেক্ষা কৰি ভাবপ্ৰবাহ ক্ষুণ্ণ কৰিব নোৱাৰাকৈ ভাবানুসাৰে যতি স্থাপন কৰি ছন্দ সজ্জা কৰিবলৈ ধৰিছে। আধুনিক কবিসকলৰ বাবে ভাব প্ৰবাহহে মুখ্য, ছন্দৰ বন্ধন গৌণ। ভাবৰ উঠা-নমা প্ৰবাহত ভাষাই উঠা-নমা

কৰে। বিৰতিয়ো ভাবানুসাৰে আহে। পুৰণি মাত্ৰা পৰিমাপক উপেক্ষি পংক্তি ৰচনাৰপৰা বন্ধনমুক্ত হৈ ভাবৰ লগে লগে ভাব বিৰতিৰ ঝঙ্কাৰৰ আশ্ৰয়ত ৰচিত হয়, ভাবযতিয়ে এনে ছন্দ-সজ্জাৰ প্ৰাণ। এনে ছন্দ-সজ্জাক মুক্তক (Free) আখ্যা দিয়া হয়। স্বৰূপাৰ্থত মুক্তক ছন্দ-সজ্জাহে। অমিত্ৰাক্ষৰ ছন্দৰ দৰে স্তৱকহীন, অনুপ্ৰাস ৰহিত মুক্ত ছন্দ-সজ্জা।

মুক্তক বুলিলে লয়হীন ধ্বনি প্ৰবাহ নহয়। সাধাৰণতঃ ছন্দ বুলিলে বুজা সমসংখ্যক মাত্ৰা থকা পৰ্ব বা চৰণৰ মিল আদি নীতি বহির্ভূত হ'ব পাৰে। অৰ্থাৎ এইবোৰৰ ক্ষেত্ৰত ই স্বাধীন, মুক্ত। সেই বাবেহে 'মুক্তক'। এই ছন্দ-সজ্জাৰ কোনো নিৰ্দিষ্ট সংখ্যক চৰণৰ স্তৱক নাই, প্ৰয়োজনো নাই। ভাবৰ আবেগ অসমান, অমিলিতান্ত চৰণৰ যোগেদি ধ্বনি প্ৰবাহ আগুৱাই নিয়ে।

সাধাৰণতে বুজা ছন্দ ৰীতিত চৰণ আৰু শাৰী প্ৰায় সমাৰ্থক হৈ পৰে। কেতিয়াবা একেটি চৰণকে একাধিক শাৰীত ভাগ কৰি লিখা হয়। কিন্তু মুক্তক ছন্দত কবিৰ ৰুচিমতে সজাই লোৱাত সম্পূৰ্ণ স্বাধীনতা আছে। পৰ্ব বিন্যাসৰ ক্ষেত্ৰত ভাবৰ আবেগ অনুযায়ী অৰ্থ সাপেক্ষে ভাবযতিৰ আশ্ৰয় লোৱা হয়। গতিকে সাধাৰণ অৰ্থৰ ছন্দৰ বন্ধনৰপৰা মুক্তি প্ৰকৃততে মুক্তক ছন্দ (Free Verse)।

**৩২ ঃ ২০ কথা ছন্দ বা স্পন্দিত ছন্দ ঃ** লয় নিৰ্ধাৰিত আৰু নিয়ন্ত্ৰিত কাৰণে মন্ত্ৰ পুথিৰ মন্ত্ৰই হওক বা মুক্তক ছন্দই হওক সেইবোৰ পদ (Verse)। মুক্তক ছন্দৰ ব্যৱহাৰৰ লগে লগে আৰু এক শ্ৰেণী কবিতাৰ পৰীক্ষা-নিৰীক্ষা চলিছে। সাধাৰণ কথা কোৱাৰ সাজ বা ঠাঁচত লৈ পাশ্চাত্য কবিতাৰ আদৰ্শত আধুনিক অসমীয়া ভাষাত এইবিধ কথাছন্দ সোমাই পৰিছে।

অমিত্ৰাক্ষৰ, মুক্তক ছন্দ আদিৰ সমাৱেশে ছন্দৰ ধাৰণা ব্যাহত কৰা নাছিল। ছন্দই ন ন ৰূপ-সজ্জাহে গ্ৰহণ কৰিছিল। কিন্তু বৰ্তমান সাহিত্যত সোমাই পৰা কথাছন্দ প্ৰচলিত ছন্দ ধাৰণাৰ বিৰোধী। নিয়মিত লয় বা তাল বৰ্জন কৰি প্ৰচলিত কথিত ঢং বা ঠাঁচৰ ভাষাৰে কাব্যৰস আস্বাদন কৰিব পাৰিনে নোৱাৰি এই বিষয়ে প্ৰাচীন কালৰে পৰা পৰীক্ষা-নিৰীক্ষা চলি আহিছে।

নিয়মিত বিৰতিৰ পাছত ধ্বনি প্ৰবাহৰ উত্থান-পতনেই ছন্দৰ মূল বস্তু। কথাছন্দত নিয়মিত বা নিয়ন্ত্ৰিত বিৰাম নাই, শব্দৰো কোনো ধৰাবন্ধা নীতি নাই, ধ্বনি প্ৰবাহৰ বিৰতিৰ সময়ত অনুপ্ৰাস বা মিলৰো কোনো আৱশ্যক নাই। মানুহে সাধাৰণতে যি ঠাঁচেৰে কথা কয়, সেই ঠাঁচেৰেই বৰ্ণনা কৰে, সেই কথা কোৱা ভাষাতেই অন্তৰৰ আবেগবোৰ প্ৰকাশ কৰে। কিন্তু বৰ্ণিত কথাবোৰ আবেগ-গধুৰ হয়। অন্তৰৰ ভাবানুভূতিকেই প্ৰচলিত কথাৰে ৰূপ দিয়ে ; প্ৰচলিত বা দেখা সামগ্ৰীৰ মাজেৰে ছবি আঁকে। বাহ্যিকৰূপ ভেদ কৰি অন্তৰ্নিহিত ৰূপ উপলব্ধি কৰিলে অন্তৰৰ আবেগ-অনুভূতি জাগ্ৰত হৈ কাব্যৰস পান কৰিব পাৰি। ছদ্মবেশী এনে কবিতাৰ আৱেদন সৰ্বতোমুখী নহয়। ছদ্মবেশৰ ওৰণিখন গুচাব পাৰিলেহে কবি প্ৰাণৰ বিভিন্ন ভাবানুভূতিৰ সম্ভেদ পাব পাৰি।

প্ৰবন্ধ, আলোচনা আদিৰ দৰে কথাছন্দ মস্তিষ্কৰ লগত সম্বন্ধ বা জড়িত নহয়। কথাছন্দৰ আবেদন মানুহৰ অনুভূতি লৈহে। মানুহৰ সূক্ষ্ম অনুভূতিবোৰ জগাই তুলি ৰসমগ্ন কৰাটো কবিতাৰ মুখ্য লক্ষণ। কথাছন্দৰ আবৃত্তিত ধ্বনি প্ৰবাহৰ উত্থান পতন, ভাবৰ গাম্ভীৰ্য অনুযায়ী শ্বাসাঘাত, সুৰ আদি থকা বাবেই কথাছন্দই শ্ৰোতাপাঠকৰ অন্তৰত বিশিষ্ট ভাবানুভূতিৰ উদ্ৰেক কৰে। ভাবাবেগেই কথাছন্দৰ মূল ধন। বাহ্যিক পৰিৱেশনৰ ওপৰত এইবিধ ছন্দ প্ৰকৃতিৰ বিশেষ সম্বন্ধ নাই। ভাবাবেগ অনুযায়ী সাধাৰণ কথিত কথাবোৰেই ধ্বনিৰ উত্থান-পতন। সুৰ আৰু শ্বাসাঘাত (accent) আদিৰ যোগেদি প্ৰকাশিত হোৱাত শ্ৰোতাৰ মন আকৰ্ষণ কৰে। মনৰ মাজত ভাৱানুভূতি সঞ্চাৰ কৰে। সেই বাবেই ইয়ো কবিতাৰ ছন্দ-সজ্জা।